# REGIONAL NEWS UNIT
# AKASHVANI, GUWAHATI
0000000000

**Date :** 03-07-2025
**Time :** 1845 HRS

## *Assamese Evening Bulletin*
## Headlines
-------------------

১। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ ওদালগুৰিত উন্নয়নমূলক আঁচনিৰ পৰ্যালোচনা।

২। ডিমা হাচাও জিলাৰ মুপা ষ্টেচনৰ সমীপত হোৱা ভূমিস্খলনৰ বাবে বদৰপুৰ-লামডিং অংশৰ ৰে’লপথ বন্ধ।

৩। ক’ভিদ মহামাৰীৰ সময়ত ষ্টপেজ প্ৰত্যাহাৰ কৰা সকলোবোৰ যাত্ৰীবাহী ৰে’লগাড়ীৰ পূৰ্বৰ অৱস্থা বাহাল কৰিবলৈ সাংসদ গৌৰৱ গগৈৰ ৰে’ল ব’ৰ্ডক আহ্বান।

৪। কামৰূপ জিলাৰ অন্তৰ্গত বকোৰ হাহিমৰ অসম-মেঘালয় সীমান্তত স্তম্ভ স্থাপনৰ কাম আৰম্ভ। **আৰু**

৫। এজবেষ্টন টেষ্টত শুভমন গীলৰ অধিনায়কোচিত বেটিঙেৰে ভাৰত প্ৰথম ইনিংছত বৃহৎ স্ক’ৰ কৰাৰ দিশত অগ্ৰসৰ।

ooooo

পাঁচদিনীয়া বি টি চি ভ্ৰমণসূচীৰ প্ৰথম পৰ্যায়ত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আজি ওদালগুৰিত উপস্থিত হয়। ওদালগুৰি জিলা আয়ুক্ত কাৰ্যালয়ত এখন পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰীয়ে বিভিন্ন কল্যাণকামী আঁচনিৰ ৰূপায়ণ সন্দৰ্ভত পৰ্যালোচনা কৰে। জিলাখনৰ অভিভাৱক মন্ত্ৰী পীযুষ হাজৰিকাৰ উপৰি বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী, সাংসদ দিলীপ শইকীয়া, বিধায়ক গোবিন্দ বসুমতাৰী, চৰণ বড়ো আৰু জিলা প্ৰশাসনৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকে। মুখ্যমন্ত্ৰী ডাঃ শৰ্মাই বৈঠকত আঁচনিসমূহৰ সুফল বি টি আৰৰ সৰ্বস্তৰৰ যোগ্য হিতাধিকাৰীসকলে লাভ কৰাটো সুনিশ্চিত কৰিবলৈ জিলা প্ৰশাসনৰ বিষয়াসকলক আহ্বান জনায়।

বৈঠকৰ পূৰ্বে এখন সংবাদমেলত ড° শৰ্মাই অৰুণোদয় আঁচনিত জিলাখনৰ কেইবা হাজাৰ পৰিয়ালক নতুনকৈ সামৰি লোৱা হ’ব বুলি মন্তব্য কৰে। মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনিৰ অধীনত আত্ম-সহায়ক গোটৰ ১ লাখ ৭ হাজাৰ গৰাকী মহিলা আৰু মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ আঁচনিৰ অধীনত প্ৰায় দুহেজাৰ গৰাকী যুৱক-যুৱতীক পাঁচ হাজাৰকৈ টকাৰ অনুদান আগবঢ়োৱা হ’ব বুলি মুখ্যমন্ত্ৰীয়ে সংবাদ মাধ্যমৰ আগত ব্যক্ত কৰে। একেদৰে এটি কলি দুটি পাত আঁচনিৰ অধীনতো চাহ শ্ৰমিকসকলক পাঁচ হাজাৰ টকাৰ আৰ্থিক সাহায্য আগবঢ়োৱা হ’ব।

**বাইট**

জিলাখনৰ পাঁচ হাজাৰটা পৰিয়ালক নতুনকৈ ৰেচন কাৰ্ড প্ৰদান কৰা হ’ব বুলিও মুখ্যমন্ত্ৰী ড° শৰ্মাই সংবাদমেলত সদৰি কৰে। ছেপ্তেম্বৰত বি টি চি পৰিষদীয় চৰকাৰৰ সাধাৰণ নিৰ্বাচন অনুষ্ঠিত হৈ দুৰ্গাপূজাৰ পূৰ্বে ফলাফল ঘোষণা কৰা হ’ব বুলি তেওঁ জানিবলৈ দিয়ে। ভূটানৰ পৰা ওদালগুৰি, তামুলপুৰ আৰু বাক্সা জিলালৈ পাইপলাইনযোগে খোৱাপানীৰ ব্যৱস্থা কৰা হ’ব বুলিও ড° শৰ্মাই অৱগত কৰে।

মুখ্যমন্ত্ৰীয়ে কাইলৈ তামুলপুৰ, ৫ জুলাইত বাক্সা, ৬ জুলাইত চিৰাং আৰু ৭ জুলাইত কোকৰাঝাৰ ভ্ৰমণ কৰিব। ৫ জুলাইত বাক্সাৰ জালাহত ৰাইজৰ সৈতে চৰকাৰী আঁচনি আৰু ৫টা মণ্ডলৰ কৰ্মকৰ্তাৰ সৈতে বিটিচি নিৰ্বাচন সম্পৰ্কত তেওঁ মত বিনিময় কৰিব। বাক্সা জিলা প্ৰশাসনে এই কাৰ্যসূচী সুচাৰুৰূপে অনুষ্ঠিত কৰিবলৈ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰিছে।

ooooo

উত্তৰ-পূব সীমান্ত ৰে'লৰেৰ ডিমা হাছাওৰ মুপা ষ্টেচনৰ সমীপত হোৱা ভূমিস্খলনৰ বাবে বদৰপুৰ-লামডিং অংশৰ ৰে'লপথছোৱা বন্ধ হৈ পৰিছে। আমাৰ শিলচৰৰ সংবাদদাতাই জনোৱা মতে এই পথছোৱাত পাহাৰৰ পৰা শিল আৰু মাটি খহি পৰাত পুৱা শিলচৰৰ পৰা গুৱাহাটী অভিমুখী এক্সপ্ৰেছ ৰে'লখন আৱদ্ধ হৈ পৰে। শেহতীয়াকৈ জাতিংগা-লামপুৰ অংশত ভূমিস্খলনৰ বাবে একেৰাহে ছদিন এই ৰে'লপথছোৱা বন্ধ হোৱাত যাত্ৰীসকলে দুৰ্ভোগ ভুগিবলগীয়া হৈছিল। যোৱা সোমবাৰে এই ৰে'লপথছোৱাৰে যাত্ৰা পুনৰ স্বাভাৱিক হোৱাত জনসাধাৰণে সকাহ লাভ কৰিছিল যদিও আজি পুনৰ ভূমিস্খলনত ৰে'লপথ বন্ধ হৈ যোৱাত যাত্ৰীসকল অসুবিধাত পৰাৰ আশংকা কৰা হৈছে। ইতিমধ্যে এখন জেচিবি আৰু দুখন এক্সকেভেটৰে সেই অংশটো মুকলোৱাৰ বাবে চেষ্টা কৰি আছে। ভূমিস্খলনৰ পৰিপ্ৰেক্ষিতত ১৫৬১৬ শিলচৰ-গুৱাহাটী এক্সপ্ৰেছ, ১৩১৭৪ কাঞ্চনজংঘা এক্সপ্ৰেছ, ১২৫২০ আগৰতলা-লোকমান্য তিলক এক্সপ্ৰেছ, ১৫৬১৮ দুৰ্লভছৰা-গুৱাহাটী এক্সপ্ৰেছ আৰু ১৪৬১৯ আগৰতলা-ফিৰোজপুৰ এক্সপ্ৰেছ ৰে'লগাড়ীকেইখন বিভিন্ন ষ্টেচনত ৰখাই থ'বলগীয়া হোৱাৰ সম্ভাৱনা আছে।

ooooo

সাংসদ গৌৰৱ গগৈয়ে ক'ভিদ মহামাৰীৰ সময়ছোৱাত উত্তৰ-পূব সীমান্ত ৰে'লৱেই ষ্টপেজ প্ৰত্যাহাৰ কৰা সকলোবোৰ যাত্ৰীবাহী ৰে'লগাড়ীৰ পূৰ্বৰ অৱস্থা বাহাল কৰিবলৈ ৰে'ল ব'ৰ্ডক আহ্বান জনাইছে। ৰে'ল ব'ৰ্ডৰ অধ্যক্ষ সতীশ কুমাৰলৈ লিখা এখন পত্ৰত সাংসদগৰাকীয়ে ডিব্ৰুগড় টাউন ৰে'ল ষ্টেচনটোক অমৃত ভাৰত ৰে'ল ষ্টেচন আঁচনিৰ অন্তৰ্ভুক্ত কৰি ইয়াক পুনৰ বিকশিত কৰিবলৈ ৰে'ল ব'ৰ্ডক অনুৰোধ জনাইছে। সাংসদগৰাকীয়ে চৰাইদেউ জিলাৰ লংপতীয়া আৰু ডিব্ৰুগড় জিলাৰ ডুমডুমা ৰে'ল ষ্টেচন দুটা পুনৰ মুকলি কৰা, ধামাল গাঁও ৰে'ল ষ্টেচনত টাৰ্মিনেল ষ্টেচনৰূপে বিকশিত কৰা আৰু পদসেতু আৰু ৰেম্প নথকা ষ্টেচনসমূহত অনতিপলমে এই সুবিধাসমূহ উপলব্ধ কৰোৱাকে ধৰি অঞ্চলটোত আন্তঃগাঁথনি খণ্ডৰ বিকাশৰ বাবে কেইবাটাও প্ৰস্তাৱ আগবঢ়ায়। সাংসদগৰাকীয়ে ব্ৰহ্মপুত্ৰ মেইলক কামাখ্যাৰ পৰিৱৰ্তে পুনৰ ডিব্ৰুগড়ৰ পৰা চলাবলৈ, নিউ তিনিচুকীয়াৰ পৰা ৰঙাপৰা হৈ ধুবুৰীলৈ পুনৰ এক্সপ্ৰেছ ৰে'লগাড়ী প্ৰৱৰ্তন, বেদেতী, বৰগাং আৰু মুনাবাৰী ষ্টেচনত ৰে'লগাড়ী ৰখোৱাৰ ব্যৱস্থা কৰা নামতি আৰু নাজিৰাত নাগালেণ্ড এক্সপ্ৰেছ ৰখোৱাৰ ব্যৱস্থা কৰা, যোৰহাট জিলাৰ হোলক গিবন অভয়াৰণ্যত ৰছী দলঙৰ ব্যৱস্থা অধিক শক্তিশালী কৰা, গুৱাহাটী আৰু ডিব্ৰুগড় আৰু গুৱাহাটী আৰু শিলচৰৰ মাজত বন্দে ভাৰত এক্সপ্ৰেছ প্ৰৱৰ্তন কৰাকে ধৰি আন কেইবাটাও দাবী শীঘ্ৰেই কাৰ্যকৰী কৰাৰ বাবে ৰে'ল ব'ৰ্ডৰ অধ্যক্ষগৰাকীক অনুৰোধ জনায়।

ooooo

উত্তৰ-পূৰ্বাঞ্চলৰ স্থানীয় ভাষাসমূহক ডিজিটেল মাধ্যমত উপলব্ধ কৰাৰ ক্ষেত্ৰত অগ্ৰণী পদক্ষেপ হিচাপে গুৱাহাটী বিশ্ববিদ্যালয়ৰ তথ্য প্ৰযুক্তি বিভাগৰ উদ্যোগত আজিৰে পৰা তিনিদিনীয়াকৈ PART OF SPEECH TAGGING FOR NORTH-EAST INDIAN LANGUAGES শীৰ্ষক এখন ৰাষ্ট্ৰীয় কৰ্মশালাৰ আয়োজন কৰা হৈছে। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে এই কৰ্মশালা উদ্বোধন কৰি উত্তৰ-পূৰ্বাঞ্চলৰ থলুৱা ক্ষুদ্ৰ ভাষিক গোটসমূহৰ ভাষাৰ সুৰক্ষা তথা প্ৰসাৰৰ ক্ষেত্ৰত ডিজিটেল প্ৰয়োগৰ গুৰুত্ব

আলোকপাত কৰে। ভাষা কেৱল যোগাযোগৰ মাধ্যমেই নহয় বৰং ই হৈছে ভাষিক গোট একোটাৰ সাংস্কৃতিক ঐতিহ্যৰ অন্যতম বাহক বুলি উল্লেখ কৰি শিক্ষামন্ত্ৰীগৰাকীয়ে ভাষা ভিত্তিক গৱেষণাৰ ক্ষেত্ৰত এই কৰ্মশালাই ইতিবাচক প্ৰভাৱ পেলাব বুলি আশা প্ৰকাশ কৰে।

**বাইট (ডাঃ ৰণোজ পেগু)**

অনুষ্ঠানত বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য ড০ ননীগোপাল মহন্তই এনেধৰণৰ কৰ্মশালাৰ জৰিয়তে সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ চহকী ভাষাসমূহৰ সংৰক্ষণ আৰু প্ৰচাৰৰ বাবে প্ৰযুক্তিৰ সদব্যৱহাৰৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰে। অসমীয়া, বড়ো, মিছিং ভাষাকে ধৰি অন্যান্য আঞ্চলিক ভাষাসমূহক ডিজিটেল মাধ্যমত একত্ৰিত কৰাৰ অৰ্থে আয়োজন কৰা এই কৰ্মশালাত আই আই টি হায়দৰাবাদৰ অধ্যাপিকা দিপ্তী মিশ্ৰ শৰ্মাৰ উপৰি দেশৰ বিভিন্ন অংশৰ অধ্যাপক, অধ্যাপিকা তথা শিক্ষাৰ্থীসকলে অংশগ্ৰহণ কৰে।

০০০০০

কামৰূপ জিলাৰ অন্তৰ্গত বকোৰ হাহিম অঞ্চলত অসম আৰু মেঘালয়ৰ জৰীপ দল, প্ৰশাসনিক বিষয়া আৰু কৰ্মচাৰীসকলে দুয়োখন ৰাজ্যৰ সীমাৰ স্তম্ভ স্থাপনৰ কাম আৰম্ভ কৰিছে। হাহিমৰ ৰংথালি গাঁৱৰ পৰা গিজাং নৈৰ পাৰে পাৰে স্তম্ভ স্থাপনৰ কাম আৰম্ভ হৈছে। ৰাজ্য দুখনৰ মাজত দীৰ্ঘদিন ধৰি থকা সীমা বিবাদৰ পৰিপ্ৰেক্ষিতত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু মেঘালয়ৰ মুখ্যমন্ত্ৰী কনৰাড চাংমাৰ নেতৃত্বত বিবদমান এলেকাসমূহ চিহ্নিত কৰা হৈছিল। দুয়োখন ৰাজ্যৰ মন্ত্ৰী-বিষয়াৰ নেতৃত্বত বহু আলোচনাৰ মাজেৰে ১২টা এলেকা চিহ্নিত কৰা হৈছিল। ইয়াৰে প্ৰথম পৰ্যায়ত ২০২২ চনৰ ২৯ মাৰ্চ পৰ্যন্ত হাহিম, গিজাং, তাৰাবাৰী, বক্‌লাপাৰা, খানাপাৰা-পিলিংকাটা আৰু বাটাছেৰা এলেকাৰ সীমা বিবাদ নিষ্পত্তি কৰা হয়। পৰৱৰ্তী সময়ত যোৱা ২ জুনত দুয়োগৰাকী মুখ্যমন্ত্ৰীয়ে আলোচনাত মিলিত হৈ ১৫ আগষ্টৰ পূৰ্বে এই সীমা বিবাদ নিষ্পত্তি হোৱা এলেকাসমূহত সীমা স্তম্ভ স্থাপনৰ সিদ্ধান্ত লয়। হাহিমৰ নিকটৱৰ্তী গিজাং অঞ্চলতো শীঘ্ৰে জৰীপ আৰম্ভ কৰি সীমা স্তম্ভ স্থাপন কৰা হ'ব বুলি জৰীপ দলৰ এগৰাকী বিষয়াই প্ৰকাশ কৰে।

০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰই ইয়াৰ ৭৮ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ সৈতে সংগতি ৰাখি অহা ৫ জুলাই, শনিবাৰে নিশা ৮ বাজি দুই মিনিটৰ দৃষ্টিপাত অনুষ্ঠানত বি বি চিৰ নতুন দিল্লীস্থিত সম্পাদনা মেজৰ সাংবাদিক শচীন গগৈৰ সৈতে এটা মুকলি বাৰ্তালাপ প্ৰচাৰ কৰিব। শ্ৰী গগৈৰ সৈতে এই অন্তৰংগ বাৰ্তালাপত ভাগ ল'ব আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰে।

০০০০০

ভাৰতীয় ৰে'লৱেৰ যাত্ৰীৰ আৰক্ষণ তালিকা প্ৰকাশৰ নিয়মৰ ক্ষেত্ৰত কালিৰেপৰা কেতবোৰ সালসলনি ঘটাইছে। সেই অনুসৰি পুৱা ৫ বজাৰ পৰা দিনৰ ২ বজাৰ ভিতৰত যাত্ৰা কৰিবলগীয়া ৰে'লগাড়ীৰ ক্ষেত্ৰত আৰক্ষণ তালিকা আগদিনা নিশা ৯ বজাত প্ৰকাশ কৰা হ'ব। দিনৰ ২ বজাৰ পৰা পিছদিনা পুৱা ৫ বজা পৰ্যন্ত যাত্ৰা কৰিবলগীয়া ৰে'লগাড়ীৰ আৰক্ষণ তালিকা যাত্ৰাৰ ৮ ঘণ্টা পূৰ্বে প্ৰকাশ কৰা হ'ব। এই নিয়মাৱলী অৱশ্যে আৰক্ষণৰ দ্বিতীয় তালিকা প্ৰকাশৰ ক্ষেত্ৰত প্ৰযোজ্য নহ'ব বুলি ৰে'ল ব'ৰ্ডৰ এখন বিজ্ঞপ্তিত কোৱা হৈছে।

০০০০০

অসম চৰকাৰৰ প্ৰাথমিক শিক্ষা সঞ্চালকালয়ে নিম্ন প্ৰাথমিক আৰু উচ্চ প্ৰাথমিকৰ ৫ হাজাৰ ৫৫০টা নিয়মীয়া শিক্ষক পদৰ বাবে নথি পৰীক্ষণৰ তৃতীয়খন তালিকা আজি প্ৰকাশ কৰিছে। এই সন্দৰ্ভত প্ৰাথমিক শিক্ষা সঞ্চালকালয়ে জাৰি কৰা জাননী অনুসৰি তালিকাত নাম অন্তৰ্ভুক্ত হোৱা প্ৰাৰ্থীসকলৰ বাবে অহা ৫ৰ

পৰা ১০ জুলাইলৈ খানাপাৰাৰ অসম কৃষি বিশ্ববিদ্যালয়ৰ আন্তৰ্জাতিক অতিথিশালাত নথি পৰীক্ষণ কৰা হ'ব। প্ৰাৰ্থীসকলক যাৱতীয় শৈক্ষিক অৰ্হতাৰ প্ৰমাণপত্ৰসহ নথী পৰীক্ষণৰ বাবে উপস্থিত থাকিবলৈ জাননীখনত উল্লেখ কৰা হৈছে। উল্লেখযোগ্য যে নিম্ন প্ৰাথমিক আৰু উচ্চ প্ৰাথমিকৰ ৫ হাজাৰ ৫৫০টা নিয়মীয়া শিক্ষক পদৰ বাবে বৰ্তমান দ্বিতীয় পৰ্যায়ৰ নথি পৰীক্ষণ কৰি থকা হৈছে।

০০০০০

বৰপেটাৰ বহৰি সত্ৰৰ বনগঞাগিৰি আশ্ৰমত কাইলৈৰ পৰা ৯ দিনীয়াকৈ অখণ্ড ভাগৱত পাঠৰ আয়োজন কৰা হৈছে। ঊষা কীৰ্তন আৰু ধৰ্মধবজা উত্তোলনেৰে আৰম্ভ হ'বলগীয়া ভাগৱত পাঠৰ কাৰ্যসূচীত বান্দালি সত্ৰৰ সত্ৰাধিকাৰ দ্বীজেন্দ্ৰ নাথ গোস্বামীয়ে অংশগ্ৰহণ কৰিব। কাৰ্যসূচীত ধৰ্মালোচনা সভাৰ লগতে ভাগৱতৰ ব্যাখ্যাৰ ব্যৱস্থাও কৰা হৈছে।

০০০০০

মৰিগাঁও জিলাৰ লাহৰীঘাট ৰাজহ চক্ৰৰ অন্তৰ্গত বৰালীমাৰীত ব্ৰহ্মপুত্ৰৰ প্ৰবল খহনীয়াত ৬০টাৰো অধিক বাসগৃহ জাহ গৈছে। আমাৰ মৰিগাঁৱৰ সংবাদদাতাই জনোৱা মতে ব্ৰহ্মপুত্ৰৰ খহনীয়া আজি এসপ্তাহ ধৰি অব্যাহত থকাত প্ৰতিদিনে অঞ্চলটোৰ ৰাইজে মাটি ভেটি হেৰুৱাবলগীয়া হৈছে। অঞ্চলটোত থকা এটা ৩০ বছৰ পুৰণি মছজিদো জাহ গৈছে। নগাঁৱৰ সাংসদ প্ৰদ্যুৎ বৰদলৈ আৰু লাহৰীঘাটৰ বিধায়ক আশ্বিফ নাজাৰে ইতিমধ্যে অঞ্চলটো পৰিদৰ্শন কৰি খহনীয়া প্ৰতিৰোধৰ বাবে ব্যৱস্থা গ্ৰহণৰ আশ্বাস দিছিল যদিও ই এতিয়াও কাৰ্যকৰী হোৱা নাই। জলসম্পদ বিভাগে খহনীয়া প্ৰতিৰোধৰ বাবে গ্ৰহণ কৰা ব্যৱস্থাও আধৰুৱা হৈ থকা বুলি আমাৰ সংবাদদাতাই জনাইছে।

০০০০০

শিৱসাগৰ জিলাৰ চেৰেকাপাৰৰ হাতীমূৰীয়া গাঁৱৰ দিখৌ নৈত গা ধুবলৈ গৈ সন্ধানহীন হোৱা কিশোৰ দুজনৰ এজনৰ মৃতদেহ আজি শিৱসাগৰ নগৰৰ পৰা প্ৰায় ১২ কিলোমিটাৰ নিলগত উদ্ধাৰ কৰা হয়। মঙলবাৰৰ পৰা সন্ধানহীন হৈ থকা কিশোৰ দুজনক উদ্ধাৰৰ বাবে ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনী আৰু ৰাজ্যিক দুৰ্যোগ সঁহাৰি বাহিনীয়ে অভিযান চলাই আছিল। আজি কোঁৱৰপুৰৰ হাৰমতিগড়ৰ দলঙৰ তলত উদ্ধাৰ হোৱা কিশোৰজনৰ মৃতদেহটো পূৰৱ দত্তৰ বুলি আমাৰ সংবাদদাতাই জনাইছে।

০০০০০

এজবেষ্টন ক্ৰিকেট টেষ্টত অধিনায়ক শুভমন গীলৰ অধিনায়কোচিত বেটিঙৰ বাবে ভাৰতে প্ৰথম ইনিংছত বৃহৎ স্ক'ৰ কৰাৰ দিশত অগ্ৰসৰ হৈছে। এণ্ডাৰচন-তেণ্ডুলকাৰ ট্ৰফীৰ দ্বিতীয়খন টেষ্টমেচৰ আজি দ্বিতীয় দিনা ভাৰতে কালি ৫ উইকেটত সংগ্ৰহ কৰা ৩১০ ৰানৰ পৰা পুনৰ খেলিবলৈ লৈ ষষ্ঠ উইকেটৰ যুটিত ১৬১-ৰ পৰা অভিলেখ সংখ্যক ২০৩ ৰান যোগ দিয়ে। ৰবীন্দ্ৰ জাদেজা ৮৯ ৰান কৰি টঙৰ বলত জেমি স্মিথৰ হাতত কেচ দি আউট হয়। অধিনায়ক শুভমন গীলে দৃঢ়তাৰে খেলি ভোজন বিৰতিৰ সময়লৈকে ১৬৮ ৰানত অপৰাজিত হৈ থাকে। ভোজন বিৰতিত ভাৰতে ৬ উইকেটৰ বিনিময়ত ৪১৯ ৰান সংগ্ৰহ কৰে।

ভোজন বিৰতিৰ পাছত খেল পুনৰ আৰম্ভ হৈছে আৰু ভাৰতে ৬ উইকেটত ৪৭৪ ৰান সংগ্ৰহ কৰিছে। শুভমন গীলে ২০১ আৰু ৱাশ্বিংটন সুন্দৰে ২২ ৰান কৰি খেলি আছে।

০০০০০

সমাপ্ত